# আমাৰ কৃষি, আমাৰ কৃষক, আমাৰ গৌৰৱ...

## মন্টাজ আলি

ভাৰতবৰ্ষৰ এজন আগশাৰীৰ কৃষক হিচাপে কেন্দ্ৰীয় চৰকাৰৰ কৃষি মন্ত্ৰালয়ে সন্মান জনোৱা শ্ৰীমন্টাজ আলি সাহিত্যৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী এজন প্ৰগতিশীল কৃষক। প্ৰথম অৱস্থাত কবিতা আৰু গদ্য লিখি ভাল পোৱা সাহিত্যৰ ছাত্ৰ মন্টাজ আলিয়ে লাহে লাহে অধিক ভাল পাবলৈ লয় কৃষি কৰ্মক। অন্য শিক্ষিত নিবনুৱা যুৱকৰ দৰে চৰকাৰী চাকৰি এটাৰ সন্ধানত কালাতিপাত নকৰি পৰিয়ালৰ ২৭ বিঘা মাটিৰ কৃষিকৰ্মত অধিক সময় মনোনিবেশ কৰিবলৈ লয়। ছাত্ৰাৱস্থাত পাঠ্যপুথিত মনোনিবেশ কৰাৰ দৰে শ্ৰীআলিয়ে প্ৰথমতেই খৰচি মাৰি জানিবলৈ চেষ্টা কৰে তেওঁৰ খেতিৰ মাটিখিনিৰ বাবে উপযোগী আধুনিক কৃষি কৌশলৰ বিভিন্ন দিশ। শ্ৰীআলিৰ নিষ্ঠা আৰু একাগ্ৰতাৰ বাবে এইক্ষেত্ৰত তেওঁক সহায় কৰিবলৈ আগবাঢ়ি আহে সংশ্লিষ্ট কৃষি উন্নয়ন বিষয়াগৰাকী আৰু জিলাখনৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানীসকল।

এইসকল বিষয়া-বিজ্ঞানীৰ সহায় সহযোগত আলিয়ে প্ৰথমতে আৰম্ভ কৰিবলৈ লয় SRI পদ্ধতিৰে পদ্ধতিৰে অধিক উৎপাদনক্ষম জাতৰ ধান খেতি, মীনপালন আৰু দুগ্ধ উৎপাদন। জলসিঞ্চনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতাৰ বাবে কৃষি বিভাগৰ পৰা তেওঁ লাভ কৰে দুটাকৈ অগভীৰ নলীনাদ, এটা ইলেকট্ৰিক পাম্প আৰু কৃষি যান্ত্ৰিকীকৰণৰ সহায় হোৱাকৈ এখন পাৱাৰ টিলাৰ। পিচলৈ উভটি নোচোৱা মন্টাজ আলিয়ে অধিক মনোনিবেশ কৰে বৰোধান, আলু, বিলাহী, টিয়হ, কল, জলকীয়া আদিকে ধৰি বিভিন্ন খাৰিফ আৰু ৰবি বতৰৰ শাক-পাচলিৰ খেতিত।

শ্ৰীআলিৰ একাণপতীয়া মনোভাৱ আৰু কৰ্মোদম্যৰ বাবেই তেওঁৰ পথাৰত শস্য নিবিড়তাৰ হাৰ ৩০০ শতাংশৰ পৰিসীমা স্পৰ্শ কৰে। তেওঁৰ সফলতাই অঞ্চলটোৰ অন্য কৃষকসকলকো কৃষিকৰ্মৰ প্ৰতি উৎসাহিত কৰি তোলে আৰু অঞ্চলটোৰ ৪০০ টা কৃষিজীৱি পৰিয়ালে তেওঁক অনুকৰণ কৰি বৰোধানৰ খেতি কৰিবলৈ আগবাঢ়ি আহে। খেতিৰ পৰা হোৱা আয়েৰে শ্ৰীআলিয়ে তেওঁৰ খেতিৰ মাটিৰ পৰিমাণ ৩৩ বিঘালৈ বৃদ্ধি কৰিবলৈ সক্ষম হয়।

নিজৰ খেতি পথাৰক এটি নিটোল কবিতালৈ পৰিণত কৰা শ্ৰীআলিক কেন্দ্ৰীয় চৰকাৰৰ কৃষি মন্ত্ৰালয়ে আধুনিক কৃষি কৌশলৰ প্ৰতি থকা তেওঁৰ উৎসাহ, পাম পৰিচালনাৰ ক্ষেত্ৰত থকা বুৎপত্তি, বহুমুখী কৃষিৰ প্ৰতি থকা সচেতনতা আৰু SRI পদ্ধতি আৰু কৃষি যান্ত্ৰিকীকৰণক উপযুক্তভাৱে ব্যৱহাৰ কৰাত সফল হোৱা বাবে দেশৰ আগশাৰীৰ ১০১ জন কৃষকৰ মাজৰ এজন হিচাপে সন্মানিত কৰিছে।

শ্ৰীমন্টাজ আলিলৈ আমাৰ অভিনন্দন!



কৃষি মন্ত্ৰী শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্মাই শ্ৰীমণ্টাজ আলিক অভিনন্দন জনাইছে।